**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-10-2025 TIME-1340 HRS

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ভাৰত সামুদ্ৰিক সপ্তাহ ২০২৫ উদ্বোধন কৰে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কোৱালালামপুৰত আজি আছিয়ান সন্মিলন, ২০২৫-ত ভাগ লোৱাৰ সুযোগতে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী কিষ্টোফাৰ লাক্সনক সাক্ষাৎ কৰে।

৩। দেশৰ সেনা বাহিনীয়ে আজি ৭৯ সংখ্যক পদাতিক দিৱস পালন কৰিছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে ষট্ পূজা উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে।

আৰু

৫। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জানিবলৈ দিছে যে ২১ টা মাওবাদীয়ে অস্ত্ৰ-শস্ত্ৰসহ ছত্তিশগড়ৰ কংকাৰ জিলাত আত্মসমৰ্পণ কৰিছে।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ভাৰত সামুদ্ৰিক সপ্তাহ ২০২৫ উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী শ্বাহে কয়, যে ভাৰতৰ সামুদ্ৰিক দৃষ্টিভংগী, নিৰাপত্তা, স্থিৰতা আৰু আত্মনিৰ্ভৰশীলতাৰ ওপৰত প্ৰতিষ্ঠিত শেহতীয়া কেইটামান বছৰত গ্ৰহণ কৰা ব্যাপক গাঁথনিগত সংস্কাৰৰ জৰিয়তে ভাৰত সম্প্ৰতি এটা গুৰুত্বপূৰ্ণ সামুদ্ৰিক শক্তিৰূপে উদ্ভাসিত হৈ উঠিছে। বিনিয়োগকাৰীসকলৰ বাবে ভাৰতৰ সামুদ্ৰিক সম্ভাৱনীয়তাৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশখনৰ ৭ হাজাৰ ৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূলীয় অঞ্চল ১৩ খন উপকূলীয় ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল তথা ২৩ লাখ ৭০ হাজাৰ বৰ্গ কিলোমিটাৰৰ এক বিশেষ অৰ্থনৈতিক ক্ষেত্ৰ আছে। তেওঁ কয়, যে ভাৰতে নিজৰ কৌশলগত সামুদ্ৰিক স্থিতি, গণতান্ত্ৰিক স্থিৰতা আৰু শক্তিশালী নৌসেনাৰ সামৰ্থ্যৰ জৰিয়তে ভাৰত-প্ৰশান্ত মহাসাগৰীয় এলেকা তথা গ্ল'বেল ছাউথৰ মাজত এখন গুৰুত্বপূৰ্ণ সেতু হিচাপে পৰিগণিত হৈছে। এই উপলক্ষে দিয়া ভাষণত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ভাৰত সামুদ্ৰিক সপ্তাহ পৃথিৱীৰ মুখ্য সামুদ্ৰিক সমাৰোহসমূহৰ এক অন্যতম সমাৰোহত পৰিণত হৈছে। এই সমাৰোহত ৮৫ খন দেশৰ ৫০০তকৈয়ো অধিক প্ৰদৰ্শনকাৰী আৰু ৪০ খন মঞ্চই অংশগ্ৰহণ কৰিছে। তেওঁ কয়, যে এই সমাৰোহৰ বিষয়বস্তু 'মহাসাগৰসমূহৰ একত্ৰিকৰণ এক সামুদ্ৰিক দৃষ্টিকোণ'-এ বসুধৈৱ কুটুম্বকম ভাৱনাকে প্ৰতিফলিত কৰে। সামুদ্ৰিক খণ্ড বিকশিত ভাৰতৰ এটা শক্তিশালী স্তম্ভ ৰূপে পৰিগণিত হৈছে বুলিও শ্ৰী সোণোৱালে সজোৰে মত প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, গোৱাৰ মুখ্যমন্ত্ৰী ডাঃ প্ৰমোদ সাৱন্ত, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰো উপস্থিত থাকে।

বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে ভাৰতীয় বন্দৰ প্ৰাধিকৰণৰ সহযোগত পাঁচদিনীয়াকৈ আয়োজন কৰা এই সামুদ্ৰিক সপ্তাহত বহনক্ষম সামুদ্ৰিক বিকাশৰ বাবে ভাৰতৰ দৃষ্টিভংগী, বাণিজ্য সম্প্ৰসাৰণ আৰু নীলা অৰ্থনীতিৰ বিকাশৰ বিভিন্ন দিশ প্ৰদৰ্শন কৰা হ'ব। এই ভাৰত সামুদ্ৰিক সপ্তাহত

প্ৰদৰ্শনী, আলোচনা, বন্দৰ, জাহাজ পৰিবহণ আৰু সমুদ্ৰ পথেৰে সামগ্ৰীৰ পৰিবহণ বিষয়ত আলোকপাত কৰি মত বিনিময় অনুষ্ঠান আৰু সামুদ্ৰিক প্ৰযুক্তি সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। গোলকীয় সামুদ্ৰিক কেন্দ্ৰ হিচাপে ভাৰতৰ স্থিতি শক্তিশালী কৰা আৰু এই খণ্ডত সহযোগিতা, উদ্ভাৱন আৰু নীতি সম্পৰ্কীয় আলোচনাৰ প্ৰসাৰৰ লক্ষ্যৰে এই সামুদ্ৰিক সপ্তাহৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে কোৱালালামপুৰত আজি আছিয়ান সন্মিলন, ২০২৫-ত ভাগ লোৱাৰ সুযোগতে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী কিষ্টোফাৰ লাক্সনক সাক্ষাৎ কৰে। ড° জয়শংকৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ তেওঁক আদৰণি জনায়। শ্ৰী জয়শংকৰে দ্বিপাক্ষিক সহযোগিতা আগবঢ়াই নিয়াৰ ক্ষেত্ৰত থকা তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতা আৰু মুক্ত ভাৰত-প্ৰশান্ত মহাসাগৰীয় এলেকাৰ ক্ষেত্ৰত কৰা পোষকতাৰ বাবে প্ৰশংসা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে আজি পুৱা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্ক' ৰুবিয়কো সাক্ষাৎ কৰে। দ্বিপাক্ষিক চুক্তি আৰু আঞ্চলিক তথা গোলকীয় বিষয়সমূহত হোৱা আলোচনাসমূহৰ তেওঁ প্ৰশংসা কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে ষট্ পূজা উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে সূৰ্য দেৱতা আৰু ষঠী মাইয়াক পূজা কৰা তথা প্ৰকৃতি মাতৃৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ সুবিধা দিয়ে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ সুখ-সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত সকলোকে অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয়, যে এই উৎসৱে জনসাধাৰণক সূৰ্য দেৱতা আৰু ষঠী মাইয়াৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ সুবিধা আগবঢ়ায়। তেওঁ লগতে এই উৎসৱে প্ৰকৃতিৰ সমতা, সামাজিক একতা আৰু আধ্যাত্মিক শক্তি প্ৰদান কৰে বুলি উল্লেখ কৰে। শ্ৰী ৰাধাকৃষ্ণণে প্ৰতিগৰাকী লোকৰ জীৱনলৈ ষঠী মাইয়াই সুখ-সমৃদ্ধি আৰু নতুন শক্তি প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে অহা ৩১ অক্টোবৰত সমগ্ৰ দেশতে একতাৰ দৌৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে এটা বাৰ্তাযোগে দেশৰ সকলো নাগৰিককে চৰ্দাৰ বল্লভভাই পেটেল আৰু তেওঁৰ একত্ৰিত ভাৰতৰ আদৰ্শৰ প্ৰতি সন্মান জনাই একতাৰ দৌৰত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

দেশৰ সেনা বাহিনীয়ে আজি ৭৯ সংখ্যক পদাতিক দিৱস পালন কৰিছে। স্বাধীন ভাৰতৰ সেনা বাহিনীয়ে ১৯৪৭ চনৰ ২৭ অক্টোবৰত কাশ্মীৰ উপত্যকাত পাকিস্তানে চলোৱা আক্ৰমণক প্ৰথম প্ৰত্যুত্তৰ জনোৱাৰ স্মৃতিত সেই দিৱস পালন কৰা হয়। দেশৰ অখণ্ডতা আৰু আঞ্চলিক সংহতি ৰক্ষাৰ বাবে দেশৰ সেনা বাহিনীৰ শিখ ৰেজিমেণ্টৰ প্ৰথমটো বেটেলিয়ন শ্ৰীনগৰত মকৰল কৰা হৈছিল। পাকিস্তানৰ সেনা বাহিনীৰ সহায়ত ভাৰতত আক্ৰমণ চলোৱাৰ প্ৰয়াস কৰা আক্ৰমণকাৰীক দেশৰ সেনা বাহিনীয়ে সাহসিকতাৰে প্ৰতিহত কৰিছিল। এই দিৱস উপলক্ষে সেনা বাহিনীৰ পদাতিক সেনাৰ মহা নিৰ্দেশক লেফটেনেণ্ট জেনেৰেল অজয় কুমাৰে প্ৰাক্তন সৈনিক তথা কৰ্মৰত সৈনিকসকলৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী

কুমাৰে তেওঁলোকৰ অদম্য সাহস, কৰ্তব্যৰ প্ৰতি সমৰ্পণ তথা বৃত্তিটোৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰশংসা কৰিছে। দেশৰ সুৰক্ষা আৰু সংহতি ৰক্ষাৰ ক্ষেত্ৰত সীমান্ত তথা আভ্যন্তৰীণ প্ৰত্যাহ্বানসমূহ প্ৰতিহত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ কৰ্তব্যনিষ্ঠাক প্ৰশংসা কৰিছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ জয়ন্তী উপলক্ষে আজি ৰাষ্ট্ৰপতি ভৱনত তেওঁৰ প্ৰতি পুষ্পাৰ্ঘ্য অৰ্পণ কৰে।

০০০০০০০০০

সমগ্ৰ দেশতে আজিৰেপৰা সতৰ্কতা সজাগতা সপ্তাহ, ২০২৫ পালন কৰা হৈছে। ৰাজহুৱা জীৱনত স্বচ্ছতা আৰু দুৰ্নীতিমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে এই সপ্তাহ পালন কৰা হৈছে। এই সপ্তাহৰ মূল বিষয় হৈছে – 'সতৰ্কতা আমাৰ সকলোৰে দায়বদ্ধতা'। ৰাজহুৱা প্ৰশাসন আৰু চৰকাৰী কাম-কাজত স্বচ্ছতা আৰু নীতিৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰাৰ লক্ষ্যৰে এই সপ্তাহ পালন কৰা হৈছে। মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু আন সংস্থাসমূহৰ কৰ্মচাৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ বাবে শপত বাক্য পাঠ কৰোৱা হ'ব। কেন্দ্ৰীয় তদাৰকী আয়ুক্ত প্ৰবীণ কুমাৰ শ্ৰীবাস্তৱ আৰু এ এছ্ ৰাজীৱে আজি নতুন দিল্লীৰ কেন্দ্ৰীয় তদাৰকী আয়োগৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলক এই সপ্তাহৰ শপত বাক্য পাঠ কৰায়। এই সপ্তাহৰ সময়ছোৱাত দুৰ্নীতিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হ'ব। প্ৰতিবছৰে অক্টোবৰৰ শেষৰ সপ্তাহত ভাৰতৰত্ন চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে এই সপ্তাহ পালন কৰা হয়।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জানিবলৈ দিছে যে ২১ টা মাওবাদীয়ে অস্ত্ৰ-শস্ত্ৰসহ ছত্তিশগড়ৰ কংকাৰ জিলাত আত্মসমৰ্পণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে এইসকলৰ ভিতৰত ১৩ গৰাকী জ্যেষ্ঠ মাওবাদী অহা বছৰৰ ৩১ মাৰ্চৰ ভিতৰত দেশৰ পৰা মাওবাদী মুক্ত কৰাৰ সংকল্পৰ কথা উল্লেখ কৰি শ্ৰী শ্বাহে আন মাওবাদীসকলক অস্ত্ৰ-শস্ত্ৰসহ অতি শীঘ্ৰে আহ্বান জনাইছে।

০০০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট সভাৰ অষ্টম সত্ৰ আৰম্ভ হ'ব। চাৰিদিনীয়াকৈ আয়োজন কৰা এই সত্ৰত ১২৪ খন সদস্য ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিব। এই সত্ৰই গোলকীয় সমুদায়সমূহে একেলগে এটা উজ্জ্বল আৰু বহনক্ষম ভৱিষ্যতৰ বাবে সৌৰশক্তি ব্যৱহাৰৰ প্ৰয়াস তথা সহযোগিতা সন্দৰ্ভত আলোচনাৰ সুযোগ প্ৰদান কৰিব। সদস্য ৰাষ্ট্ৰসমূহে সকলোৰে বাবে **সুলভ সৌৰশক্তি** দৃষ্টিভংগীৰ ক্ষেত্ৰত অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে ইয়াৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ত আলোচনা কৰিব।

উল্লেখযোগ্য যে ভাৰতে নিৰ্ধাৰিত সময়ত ৫ বছৰ পূৰ্বেই অ-জীৱাশ্ম উৎসৰ পৰা ইয়াৰ মুঠ বিদ্যুৎ উৎপাদন ক্ষমতাৰ ৫০ শতাংশ লাভ কৰিবলৈ সমৰ্থ হৈছে। ভাৰত হৈছে বিশ্বৰ ভিতৰত তৃতীয় সৰ্ববৃহৎ সৌৰশক্তি উৎপাদনকাৰী দেশ আৰু নৱীকৰণযোগ্য শক্তি বিকাশৰ ক্ষেত্ৰত দ্বিতীয় সৰ্ববৃহৎ বজাৰ। প্ৰধানমন্ত্ৰী সূৰ্যঘৰ যোজনাৰ অধীনত ২০ লাখৰো অধিক লোকে তেওঁলোকৰ ঘৰৰ ছাদত সৌৰ পেনেল স্থাপন কৰি ইয়াৰ সুবিধা লাভ কৰিছে।

০০০০০০০

সমাপ্ত